...U ৰ মান যিমানে বাঢ়ে UTT ৰ মান সিমানে ক্ষতিগ্ৰস্থ হয়। আৰু U ৰ মান যিমানে কমে সিমানে UTT ৰ মান উন্নত হয়। উপযোগিতা বাণিজ্য হাৰৰ ডাঙৰ দুৰ্বলতা হ'ল ইয়াত উপযোগিতাৰ কথা কোৱা হৈছে। বাস্তৱত উপযোগিতাক পৰিমাপ কৰিব নোৱাৰি। গতিকে এই ধাৰণাটোৰো বাস্তৱ ভিত্তি নাই।

**২.৩ বাণিজ্য হাৰৰ ওপৰত প্ৰভাৱ পেলোৱা কাৰকসমূহ** (Factors affecting terms of trade) **:** বাণিজ্য হাৰৰ ওপৰত বহু সংখ্যক কাৰকে প্ৰভাৱ পেলোৱা দেখা পোৱা যায়। ইয়াৰে কেইটামান কাৰক হ'ল -

১। **চাহিদাৰ স্থিতিস্থাপকতা** (Elasticity of Demand) :- ৰপ্তানিকৃত সামগ্ৰী আৰু আমদানিকৃত সামগ্ৰীৰ চাহিদাৰ স্থিতিস্থাপকতাই বাণিজ্য হাৰৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। উদাহৰণ স্বৰূপে দেশখনে বিদেশলৈ ৰপ্তানি কৰা সামগ্ৰী এবিধৰ চাহিদাৰ স্থিতিস্থাপকতা যদি অস্থিতিস্থাপক হয় তেনেহলে ৰপ্তানিকৃত সামগ্ৰীবিধৰ দাম বৃদ্ধিয়েও ৰপ্তানিৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰাৰ ফলত দেশখনৰ ৰপ্তানি আয় বাঢ়িব। পুনৰ যদি ৰপ্তানিকৃত সামগ্ৰীৰ চাহিদাৰ স্থিতিস্থাপকতা অধিক হয় তেনেহলে অলপমান দৰৰ পাৰ্থক্যই ৰপ্তানি আয়ৰ ওপৰত প্ৰভাৱ পেলাব। ঠিক একেদৰে আমদানিকৃত সামগ্ৰীৰ চাহিদাৰ সৃষ্টিস্থাপকতা অস্থিতিস্থাপক হলে আমদানি ব্যয় বৃদ্ধি পাব আৰু আমদানিকৃত সামগ্ৰীৰ চাহিদাৰ স্থিতিস্থাপকতা স্থিতিস্থাপক হলে আমদানিকৃত ব্যয় কম হোৱাৰ সম্ভাৱনা থাকে। এতেকে দেখা গ'ল যে আন্তৰ্জাতিক বাণিজ্যত চাহিদাৰ স্থিতিস্থাপকতাই যথেষ্ট প্ৰভাৱ পেলাব পাৰে।

২। **যোগানৰ স্থিতিস্থাপকতা** (Elasticity of Supply) :- যোগানৰ স্থিতিস্থাপকতাই এখন দেশৰ বাণিজ্য হাৰৰ ওপৰত যথেষ্ঠ প্ৰভাৱ পেলাব পাৰে। কোনো এখন দেশৰ ৰপ্তানিৰ যোগানৰ স্থিতিস্থাপকতা আমদানি যোগানৰ স্থিতিস্থাপকতাতকৈ বেছি হয় তেনেহলে দাম অলপ কমালেই ৰপ্তানি বহুত বাঢ়িব। অৰ্থাৎ ৰপ্তানি আয় বাঢ়িব। কিন্তু ৰপ্তানি যোগানৰ স্থিতিস্থাপকতাতকৈ আমদানি যোগানৰ স্থিতিস্থাপকতা বেছি হলে বাণিজ্য হাৰ দেশখনৰ প্ৰতিকুলে যাব।

৩। **সামগ্ৰীৰ প্ৰকৃতি (Nature of goods) :-** যেতিয়া দেশ এখনে দীৰ্ঘদিন ধৰি প্ৰাথমিক দ্ৰব্যসমূহ ৰপ্তানি কৰি শিল্পজাত দ্ৰব্য আমদানি কৰি থাকে তেনে দেশখনৰ বাণিজ্য হাৰ দেশখনৰ প্ৰতিকূলে যাব। কিন্তু শিল্পজাত সামগ্ৰী ৰপ্তানিৰ বিপৰীতে প্ৰাথমিক সামগ্ৰী আমদানি কৰিলে দেশখনৰ বাণিজ্য হাৰ দেশখনৰ পক্ষে যোগাত্মক প্ৰভাৱযুক্ত হ'ব।

৪। **আৰ্থিক বিকাশ (Economic Development) :-** কোনো এখন দেশৰ আৰ্থিক বিকাশে বাণিজ্য হাৰৰ ওপৰত দুই ধৰণেৰে প্ৰভাৱ পেলাব পাৰে। সেইয়া হ'ল (ক) চাহিদাৰ ফলাফল আৰু (খ) যোগানৰ ফলাফল। দেশ এখনত যেতিয়া আমদানিৰ চাহিদা বাঢ়ে তেতিয়া আৰ্থিক উন্নয়নৰ সতে জড়িত আয়ৰ পৰিমানো বাঢ়ে। পুনৰ দেশ এখনত যেতিয়া ৰপ্তানি চাহিদা বাঢ়ে তেতিয়া দেশৰ উপাৰ্জনো বৃদ্ধি পাই। (খ) দ্বিতীয়তে দেশত যেতিয়া আমদানিৰ বিকাশৰ যোগানৰ পৰিমাণ বাঢ়ে তেতিয়াও দেশত উপাৰ্জনৰ পৰিবৰ্তন ঘটে।

৫। **বিনিময়ৰ হাৰ (Rate of Exchange) :-** দেশ এখনৰ বিনিময় হাৰৰ পৰিবৰ্তনে বাণিজ্য হাৰৰ ওপৰত প্ৰভাৱ পেলোৱাৰ লগতে দেশখনৰ মুদ্ৰা মূল্যৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। ধৰা হওক দেশ এখনৰ মুদ্ৰামূল্য বৃদ্ধি কৰা হ'ল। এনে হলে দেশখনৰ বাণিজ্য হাৰ উন্নতি হ'ব। ইয়াৰ কাৰণ দেশখনৰ মুদ্ৰামূল্য বৃদ্ধি পালে ৰপ্তানিকৃত সামগ্ৰীৰ দাম বাঢ়িব আৰু আমদানিকৃত সামগ্ৰীৰ দাম কৰাত দেশখনে সমান মূদ্ৰাৰ জৰিয়তে আগতকৈ বেছি আমদানি কৰিব পাৰিব বা বিদেশী মুদ্ৰা ৰাহি কৰিব পাৰিব।

৬। **টেৰিফ নীতি (Tariff Policy) :-** দেশ এখনৰ টেৰিফ (Tariff) আৰু ক'টা Quata নীতিয়ে দেশখনৰ বাণিজ্য হাৰৰ ওপৰত প্ৰভাৱ পেলাই। ইয়াৰ কাৰণ টেৰিফ আৰু Quata প্ৰয়োগ কৰিলে দেশখনৰ আমদানিৰ পৰিমাণ কমে এনে অৱস্থা দীৰ্ঘদিন ধৰি চলাই গলে বিদেশেও অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিলে বাণিজ্য হাৰৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব।

৭। **জনসংখ্যাৰ আকাৰ (Size of population) :-** যিবোৰ দেশত জনসংখ্যা অত্যাধিক তেনেবোৰ দেশে দেশৰ জনসাধাৰণৰ প্ৰয়োজনসমূহ পূৰণ কৰিবৰ জোখাৰে দেশত দ্ৰব্যসামগ্ৰী উৎপাদন কৰিবলৈ সক্ষম নহয়। ফলস্বৰূপে তেনেবোৰ দেশৰ দ্ৰব্য আমদানিৰ পৰিমাণ দ্ৰব্য ৰপ্তানিৰ পৰিমাণতকৈ সদায়েই

বেছি হোৱা আন্তৰ্জাতিক বাণিজ্য সদায়েই অশুভ হয় কিন্তু যিবোৰ দেশৰ জনসংখ্যা কম তেনেবোৰ দেশৰ ক্ষেত্ৰত ৰপ্তানিৰ পৰিমাণ আমদানিৰ পৰিমাণতকৈ বেছি হয়। ফলত আন্তৰ্জাতিক বাণিজ্য হাৰ দেশখনৰ বাবে সুবিধাজনক হয়।

৮। **দেশখনৰ আকাৰ** (Size of Country)ঃ- বৃহৎ দেশবোৰৰ ক্ষেত্ৰত বাণিজ্য হাৰ প্ৰায়ে অসুবিধাজনক আৰু ক্ষুদ্ৰ দেশবোৰৰ ক্ষেত্ৰত বাণিজ্য হাৰ প্ৰায়ে সুবিধাজনক হোৱাত দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ ক্ষুদ্ৰ আকাৰৰ দেশবোৰে উৎপাদন কাৰ্য্যত উৎপাদনৰ মিতব্যয়িতা বৃহৎ আকাৰৰ দেশৰ তুলনাত বেছিকৈ লাভ কৰে।

৯। **প্ৰতিযোগিতাৰ তীব্ৰতা** (Degree of Competition)ঃ- দেশ এখনে যিবোৰ দ্ৰব্য ৰপ্তানি কৰে, এই দ্ৰব্যবোৰে উৎপাদনত যদি দেশখনে একচেটিয়া অধিকাৰ লাভ কৰে পুনৰ দেশখনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ বহুকেইখন দেশৰ পৰা আমদানি কৰাৰ যদি সুবিধা লাভ কৰে তেন্তে দেশখনৰ বাণিজ্য হাৰ দেশখনৰ সপক্ষে হয়। কিন্তু ৰপ্তানি কৰিব লগা সামগ্ৰীৰ ক্ষেত্ৰত যদি তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হয়, পুনৰ মাথোন এখন দেশৰ পৰাহে প্ৰয়োজনীয় বা নাটনিযুক্ত সামগ্ৰী আমদানি কৰাৰ সুযোগ পায় তেনেহলে দেশখনৰ বাণিজ্য হাৰ (terms of trade) দেশখনৰ বিপক্ষে গতি কৰে।

2.4 **বৃদ্ধিৰ চালিকা শক্তি হিচাপে বাণিজ্য** (Trade as an engine of growth)ঃ বাস্তৱতে কোনো দেশেই সম্পূৰ্ণ অৰ্থত স্বাৱলম্বী নহয়। দেশ এখনৰ জনসাধাৰণে যি বিলাক সেৱা-সামগ্ৰীৰ চাহিদা কৰে সেই সকলোবোৰ সেৱা-সামগ্ৰী দেশখনত উৎপাদন কৰা সম্ভৱ নহয়। ইয়াৰ কাৰণ, দেশখনৰ প্ৰাকৃতিক পৰিবেশ, বতৰৰ অৱস্থা, ভূমিৰ গুণাগুণ, প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যতা, শ্ৰমৰ যোগান, মূলধনৰ যোগান, কাৰিকৰী কৌশলৰ প্ৰয়োজন, উদ্যোগৰ দক্ষতা, শ্ৰমিকৰ দক্ষতা, যাতায়ত পৰিবহনৰ সুবিধা আদিবোৰৰ তাৰতম্যতাৰ বাবেই সামগ্ৰী উৎপাদনৰ সুবিধা বা উৎপাদন ব্যয়ৰ তাৰতম্য হোৱা পৰিলক্ষিত হয়। যিবিলাক দেশে যিবোৰ দ্ৰব্য উৎপাদন কৰিলে উৎপাদন ব্যয় যথেষ্ঠ কম হয়, তেনে দেশে তেনে সামগ্ৰী নিজ দেশতে উৎপাদন কৰি বিদেশলৈও ৰপ্তানি কৰিব পাৰে। পুনৰ যিবোৰ সামগ্ৰীৰ উৎপাদন ব্যয় বিদেশৰ তুলনাত যথেষ্ঠ